


# ‘ডোবাকাটি’

গীতা ধৰ্মৰাজন
অংকন: বন্দনা বিষ্ট

‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক




ধুমুহা, মই আৰু মোৰ কণমানি বন্ধু

আমি দৌৰোঁ, গান গাওঁ, খেলোঁ আৰু তলে-ওপৰে জপিয়াওঁ।



আমি এতিয়া
ইয়াত আৰু
কেতিয়াবা তাত।
আমি ডাৰৰৰ ওপৰলৈ আৰু তললৈ যাওঁ
পুৰণা গছৰ নতুন নতুন পাতবোৰৰ
ভিতৰে আৰু বাহিৰে।
আমি ওপঙো আৰু ডুব যাওঁ।
হুউউউছছছ
তললৈ
তললৈ
তললৈ আৰু
তললৈ
ডোবাকাড়ি!
সেউজীয়া সেউজীয়া ঘাঁহ
নদীৰ বুকুত আকৌ ঘূৰি





বতাহ আৰু গছ
আৰু বন্ধু আৰু মই


## ক্ৰিয়া ১

### খালি নাইবা ভৰ্তি


এটা বেলুন লৈ ধেমালি কৰোঁ আহাঁ




এটা সৰু বেলুন লোৱা।





বেলুনটো এটা পানীৰ নলৰ তলত ধৰি ৰাখা।





লাহে লাহে পানীৰ নলটো খুলি বেলুনটো পানীৰে ভৰ্তি কৰি দিয়া।



চোৱা, কি দৰে বেলুনৰ আকৃতি সলনি হয়।




বেলুনটো পানীৰে ভৰ্তি হৈ গ'লে লগে লগে পানীৰ নলটো বন্ধ কৰি দিয়া। নহ'লে সেইটো ফাটি যাব।



## কাৰ্য ২



তুমি বিপৰীত কাৰ্যটো কৰিব পাৰিবানে ?

তলত কেইবাটাও সহজ কাম আৰু সেইবোৰৰ বিপৰীত কামসমূহ দিয়া আছে।



| | | |
|---|---|---|
| উঠা-বহা | উশাহ লোৱা-উশাহ এৰা | হাত দাঙা-হাত নমোৱা |
| শোৱা-উঠা | চিঞৰা-ফুচফুচুৱা | কান্দা-হাঁহা |

এইবাৰ তোমাৰ বন্ধুসকলৰ সৈতে একেলগে গোট খাই ধেমালি কৰা। A আৰু B দুটা দলত বিভক্ত কৰি মুখামুখি হোৱা। A দলে কৰা কামটোৰ বিপৰীতটো B য়ে কৰিব।

তুমি এনেকৈ বিপৰীত দলৰ সৈতে খেলিব পৰা ভাললগা খেলৰ কথা আৰু ভাবিব পাৰানে ?



## কাৰ্য ৩



উত্তৰ, দক্ষিণ, পূব, অথবা পশ্চিম?



তুমি এই সৰু গানটো গাবা আৰু বন্ধুসকলৰ লগত অভিনয় কৰি দেখুৱাবা।

এজনী সুন্দৰ চৰাইৰ সৈতে পোৱালী চাৰিটা আছে।
সিঁহতে আনন্দ কৰে আৰু পাখি কোবাই নাচে।
এটা উৰি গ'ল সূৰ্য উদয়ৰ দিশে।
"আন এটা উৰিল অস্তগামী সূৰ্যৰ ফালে
য'ত থাকে পশ্চিমৰ দিশে।"
এটা উৰি গ'ল উত্তৰৰ বৰফৰ দেশলৈ
অন্য এটা উৰিল দক্ষিণৰ সাগৰৰ কাষলৈ
সকলোৱে গোটেই পৃথিৱীখন ফুৰি আহিল।
আৰু শেষত চাৰিওটা নিজৰ ঘৰলৈ ঘূৰিল।
কাৰণ উত্তৰ, দক্ষিণ, পূৱ অথবা পশ্চিম
নিজৰ ঘৰখনেই সকলোতকৈ আপোন





তুমি যেতিয়া ঘৰত থাকা তেতিয়া সদায় সূৰ্য উদয় হোৱা চাব পাৰা।



গীতা ধৰ্মৰাজনে শিশুৰ বাবে গল্প আৰু কল্পকাহিনী ৰচনা কৰি ভাল পায়। ১৯৮৮ চনত 'তামাশা' নামৰ এখন শিশু আলোচনীৰ প্ৰকাশ আৰু সম্পাদনা কৰা গীতা হ'ল কথাৰ প্ৰতিষ্ঠাতা পৰিচালক। গীতাই ইয়াৰ আগতে শিশু সকলৰ বাবে 'টাৰ্গেট' নামৰ আলোচনী আৰু পেন্সিলভেনিয়াৰ আইভি লীগ বিশ্ববিদ্যালয়ৰ আলোচনী 'দ্য পেনচিলভেনিয়া'ৰ সম্পাদকসকলৰ মাজৰ এজন আছিল। সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন অবদানৰ বাবে তেওঁ ২০১২ চনত পদ্মশ্ৰী উপাধিৰে বিভূষিত হৈছিল।

বন্দনা বিষ্টে 'দিল্লী কলেজ অৱ আৰ্ট'ৰ পৰা চিত্ৰকলা বিষয়ত স্নাতক উপাধি লাভ কৰিছিল। শিশুসকলৰ বিভিন্ন আলোচনী আৰু গ্ৰন্থৰ যোগেদি তেওঁৰ সৃষ্টিৰাজি প্ৰকাশিত হৈছে। তেওঁৰ প্ৰথম গ্ৰন্থ 'এ টিকেট টু হ'ম এণ্ড আদাৰ ষ্টৰিজ' প্ৰকাশ হোৱাৰ পিচত জাপান আৰু ব্ৰাটিস্লাভাত তেওঁৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। 'কথা'ৰ দ্বাৰা প্ৰকাশিত 'দ্য প্ৰিন্সেচ উইথ দ্য লংগেষ্ট হেয়াৰ' গ্ৰন্থখনৰ চিত্ৰ অংকনৰ বাবে ১৯৯৮ চনত তেওঁ 'চিত্ৰকলা' পুৰস্কাৰ পাইছিল। এই গ্ৰন্থখনৰ বাবে তেওঁ 'ন'মা কংকৰচ ফৰ পিকচাৰ বুক ইলাষ্ট্ৰেচন'ৰ পৰা বটা লাভ কৰিছিল। বন্দনা নিজে এগৰাকী লেখিকা আৰু ১৯৯৪ চনত সৃজনীশীল সাহিত্যৰ বাবে 'কথা' পুৰস্কাৰ পাইছিল।

KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিৱৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা, 2012, 2021
"পাঠ্যস্বত্ব © গীতা ধৰ্মৰাজন"
অংকন স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।
১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।



## এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পাঠক


































**FOR OUR BOOKS**

www.books.katha.org

'কাহিনীটোৰ দ্বাৰা ভাৰতৰ বহু সাংস্কৃতিক পৰিচয় প্ৰকাশ পাইছে'
—দ্য পায়োনিয়াৰ


শিশুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
9 789388 284813
www.katha.org
` XXX


স্টেপ ১ চিৰিজৰ অন্তৰ্গত